**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-07-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

---

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ইন্দোনেছিয়াৰ ৰাজধানী জাকাৰ্টাত ৰাষ্ট্ৰপতি প্ৰাব'ৱ' ছুবিয়াণ্টোৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হয়।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত চলিত বৰ্ষৰ ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফী আনুষ্ঠানিকভাৱে উন্মোচন কৰে।

৩। ভাৰতে কাইলৈৰ পৰা দুদিনীয়াকৈ ব্ৰীকছ ৰাষ্ট্ৰগোষ্ঠীৰ মহিলাৰ মন্ত্ৰী পৰ্যায়ৰ বৈঠক আয়োজন কৰিছে।

৪। জৈৱ বৈচিত্ৰ্য আইন, ২০০২ৰ অধীনত মিজোৰামৰ প্ৰাকৃতিক ইতিহাস সংগ্ৰহালয়ক দেশৰ একবিংশ অনুমোদিত সংৰক্ষণস্থলী হিচাপে অধিসূচনা জাৰি কৰা হৈছে।

**আৰু**

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ পৰা আয়োজক দেশ আমেৰিকাই বিদায় লৈছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ইন্দোনেছিয়াৰ ৰাজধানী জাকাৰ্টাত ৰাষ্ট্ৰপতি প্ৰাব'ৱ' ছুবিয়াণ্টোৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হয়। এই আলোচনাকালত তেওঁ বৈদেশিক সম্পৰ্ক পৰ্যালোচনা কৰাৰ লগতে দুয়োখন দেশৰ মাজত ব্যাপক কৌশলগত অংশীদাৰিত্বক গতি প্ৰদান কৰা বিষয়তো আলোকপাত কৰে। দুয়ো দেশৰ নেতা দুগৰাকীয়ে পাৰস্পৰিক স্বাৰ্থৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ লক্ষ্যৰে বুজাবুজিৰ চুক্তিৰ আদান-প্ৰদানৰো সাক্ষী হৈ ৰয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে ২০১৮ চনত স্থাপন হোৱা ভাৰত আৰু ইন্দোনেছিয়াৰ মাজৰ ব্যাপক কৌশলগত অংশীদাৰিত্বই অগ্ৰগতিৰ এটা নতুন পৰ্যায়ত উপনীত হৈছে। জাকাৰ্টাত ইন্দোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰাব'ৱ' ছুবিয়াণ্টোৰ সৈতে দিয়া যুটীয়া প্ৰেছ সন্মিলনত প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে পাৰস্পৰিক বিশ্বাসে প্ৰতিৰক্ষা, নিৰাপত্তা, সামুদ্ৰিক খণ্ডৰ সহযোগিতা শক্তিশালী কৰি তুলিছে। ইয়াৰ জৰিয়তে দুয়োখন দেশৰ প্ৰতিৰক্ষা কৌশল আদান-প্ৰদান, দুৰ্যোগ ব্যৱস্থাপনা সহযোগিতা আৰু ঔদ্যোগিক সহযোগিতা শক্তিশালী হৈ পৰিছে।

শ্ৰী মোদীয়ে লগতে কয়, যে এই অংশীদাৰিত্বই উন্নয়ন, নিৰাপত্তা, প্ৰযুক্তি, সংস্কৃতি আৰু শিক্ষাখণ্ডকো সামৰি লৈছে। ভৱিষ্যতৰ দ্বিপাক্ষিক সম্পৰ্ক সন্দৰ্ভত আস্থা ব্যক্ত কৰি প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে ভাৰত-ইন্দোনেছিয়া অংশীদাৰিত্বৰ সোণালী অধ্যায় আজিৰেপৰা নতুনকৈ আৰম্ভ হ'ব।

ইন্দোনেছিয়ালৈ গুৰুদেৱ ৰবীন্দ্ৰনাথ ঠাকুৰৰ ঐতিহাসিক ভ্ৰমণৰ শতবৰ্ষ পূৰ্তি অনুষ্ঠান দুয়োখন দেশে জাক-জমকতাৰে আয়োজন কৰিব বুলি প্ৰধানমন্ত্ৰী মোদীয়ে ঘোষণা কৰে। ইন্দোনেছিয়াৰ প্ৰথমগৰাকী শিক্ষামন্ত্ৰী কি হাজৰ দেৱানতাৰাৰ অৱদান সন্দৰ্ভত আলোকপাত কৰি শ্ৰী মোদীয়ে কয়, যে তেওঁৰ শৈক্ষিক দৰ্শন গুৰুদেৱ ৰবীন্দ্ৰ নাথ ঠাকুৰৰ আদৰ্শৰ দ্বাৰা বাৰুকৈয়ে প্ৰভাৱিত হৈছিল। বৰ্তমানৰ গোলকীয়

অনিশ্চয়তাৰ এই পৰ্যায়ত আলোচনা আৰু কূটনীতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে বুলি ভাৰতে বিশ্বাস কৰে। পেলেস্তাইনৰ প্ৰসংগ উত্থাপন কৰি শ্ৰী মোদীয়ে দুয়োখন দেশৰ সমস্যা সমাধান আৰু দীৰ্ঘম্যাদি শান্তি প্ৰক্ৰিয়াত ভাৰতৰ সমৰ্থনৰ কথা ব্যক্ত কৰে।

ইন্দোনেছিয়াৰ সৰ্বোচ্চ অসামৰিক সন্মান বিনটাং আদিপূৰ্ণা অব্ দা ৰিপাব্লিক অব্ ইন্দোনেছিয়া লাভ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কৃতজ্ঞতা প্ৰকাশ কৰে। তেওঁ এই সন্মান ভাৰতীয় জনসাধাৰণলৈ উচৰ্গা কৰাৰ লগতে এয়া ভাৰত আৰু ইন্দোনেছিয়াৰ মাজৰ ঐতিহাসিক সম্পৰ্কক প্ৰতিফলিত কৰিছে বুলি অভিহিত কৰে। এই সন্মানৰ বাবে তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি প্ৰাব'ৱ' ছুবিয়াণ্টো আৰু ইণ্ডোনেছিয়াৰ চৰকাৰ তথা ইয়াৰ জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰে।

শ্ৰী মোদীয়ে দেশখনত ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ প্ৰম্বনন মন্দিৰ কাইলৈ দৰ্শন কৰিব। নৱম শতিকাৰ হিন্দু স্থাপত্য শৈলীৰে নিৰ্মিত এই মন্দিৰ ইন্দোনেছিয়াৰ সাংস্কৃতিক সমলৰ অন্যতম হিচাপে গণ্য কৰা হয়।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বিনটাং আদিপূৰ্ণা অব্ দা ৰিপাব্লিক অব্ ইন্দোনেছিয়া সন্মানেৰে সন্মানিত হোৱাৰ বাবে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অভিনন্দন জ্ঞাপন কৰিছে। শ্ৰী সিঙে কয়, যে এই সন্মান প্ৰধানমন্ত্ৰীৰ দূৰদৰ্শী নেতৃত্ব, ৰূপান্তৰকামী মানসিকতা আৰু ভাৰতক বিকাশৰ দিশে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত দৃঢ় সংকল্পৰ লগতে গোলকীয় অংশীদাৰিত্ব শক্তিশালী কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপৰ প্ৰতি ব্যতিক্ৰমী স্বীকৃতি। শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে ইন্দোনেছিয়াৰ সৰ্বশ্ৰেষ্ঠ অসামৰিক সন্মান লাভ কৰাৰ বাবে শ্ৰী মোদীক অভিনন্দন জ্ঞাপন কৰিছে। ভাৰত আৰু ইন্দোনেছিয়াই প্ৰাচীন কালৰেপৰা সামুদ্ৰিক সহযোগিতাকে ধৰি বিভিন্ন ক্ষেত্ৰত সু-সম্পৰ্ক বৰ্তাই ৰাখি আহিছে বুলি উল্লেখ কৰি এই সন্মান লাভ কৰাটো দেশবাসীৰ বাবে আনন্দৰ বিষয় বুলি মন্তব্য কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক বিনটাং আদিপূৰ্ণা অব্ দা ৰিপাব্লিক অব্ ইন্দোনেছিয়া সন্মান প্ৰদান ভাৰতীয়সকলৰ বাবে অতিশয় গৌৰৱৰ বিষয় বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্ জয়শংকৰে প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ বাৰ্তাযোগে ডঃ জয়শংকৰে কয়, যে এই সন্মান ভাৰতৰ সৰ্বাত্মক কৌশলগত অংশীদাৰিত্ব আৰু ভাৰত-আছিয়ান ৰাষ্ট্ৰসমূহৰ বান্ধোন শক্তিশালী কৰাৰ দিশত প্ৰধানমন্ত্ৰীয়ে গ্ৰহণ কৰা প্ৰচেষ্টাৰ অনন্য স্বীকৃতি। ১৯৫৯ চনৰ পৰা প্ৰদান কৰি অহা ইন্দোনেছিয়াৰ এই সন্মান দেশখনৰ একতা, ধাৰাবাহিকতা আৰু সমৃদ্ধিৰ ক্ষেত্ৰত অনবদ্য বৰঙণি আগবঢ়োৱা ব্যক্তিলৈ প্ৰদান কৰি অহা হৈছে।

000000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত চলিত বৰ্ষৰ ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফী আনুষ্ঠানিকভাৱে উন্মোচন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে চলিত বৰ্ষত ডুৰাণ্ড কাপ, প্ৰেছিডেণ্টছ কাপ আৰু ছিমলা ট্ৰফী প্ৰতিযোগিতাত খিতাপ জয়ৰ বাবে নতুন নতুন দলে প্ৰতিদ্বন্দ্বিতাত অংশগ্ৰহণ কৰিব। চলিত বৰ্ষৰ প্ৰতিযোগিতাত শ্ৰীলংকাৰ খেলুৱৈ দলে অংশগ্ৰহণ কৰাত সন্তোষ প্ৰকাশ কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে, নতুন নতুন দলৰ অন্তৰ্ভুক্তিয়ে এই ঐতিহাসিক প্ৰতিযোগিতাক পূৰ্বতকৈ অধিক জনপ্ৰিয় কৰি তুলিব।

প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিটো দল আৰু খেলুৱৈসকললৈ শুভেচ্ছা জ্ঞাপন কৰি তেওঁ ক্ৰীড়াসুলভ মানসিকতাৰ প্ৰকৃত উদ্যম অক্ষুণ্ণ ৰাখি শ্ৰেষ্ঠ প্ৰদৰ্শনৰ জৰিয়তে এই ঐতিহাসিক প্ৰতিযোগিতাক

অধিক মৰ্যাদা প্ৰদান কৰিবলৈ তেওঁলোকক আহ্বান জনায়। এইবেলি গুৱাহাটী, ইম্ফল, শ্বিলং আৰু কলকাতাৰ লগতে ৰাঁচীতো এই প্ৰতিযোগিতাৰ আয়োজন কৰিবলৈ লোৱাত ৰাষ্ট্ৰপতিগৰাকীয়ে সন্তোষ প্ৰকাশ কৰে।

জনসাধাৰণক পৰস্পৰৰ কাষ চপাই নিয়াত ফুটবলে অনন্য ভূমিকা পালন কৰে বুলি উল্লেখ কৰি তেওঁ কয়, যে এই খেলুৱৈসুলভ মানসিকতাই খেলপথাৰৰ পৰিসীমা অতিক্ৰম কৰি খেলুৱৈসকলৰ শৃংখলা, সংকল্পবদ্ধতা আৰু দলীয় উদ্যম বৃদ্ধি কৰে।

**বাইট (ৰাষ্ট্ৰপতি)**

ফুটবলৰ ক্ষেত্ৰখনত উল্লেখনীয় শক্তি হিচাপে আত্মপ্ৰকাশ কৰাৰ বাবে দেশে এতিয়াও বহুদূৰ বাট আগবাঢ়িবলৈ বাকী আছে বুলি মত প্ৰকাশ কৰি এই যাত্ৰা পথৰ বাবে সাজু হ'বলৈ তেওঁ সকলোকে আহ্বান জনায়। একেসময়তে এই প্ৰতিযোগিতাই ফুটবল ক্ষেত্ৰৰ প্ৰতিভাসমূহক মূৰ দাঙি উঠাৰ সুযোগ প্ৰদান কৰিব বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে। আজিৰ উন্মোচনী অনুষ্ঠানত প্ৰতিৰক্ষা বাহিনীৰ মুৰব্বী এন এছ ৰাজা সুব্ৰমণি, স্থলসেনাৰ মুৰব্বী ধীৰাজ সেঠ আৰু নৌসেনাৰ মুৰব্বী এডমিৰেল কৃষ্ণ স্বামীনাথনেও অংশগ্ৰহণ কৰে।

০০০০০০০০০

ভাৰতে কাইলৈৰ পৰা দুদিনীয়াকৈ ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ মহিলাৰ মন্ত্ৰী পৰ্যায়ৰ বৈঠক আয়োজন কৰিছে। কেৰালাৰ কোচ্চিত আয়োজিত এই বৈঠকৰ বিষয়ে প্ৰকাশ কৰি কেন্দ্ৰীয় চৰকাৰৰ মহিলা আৰু শিশু কল্যাণ মন্ত্ৰালয়ে জানিবলৈ দিয়া মতে ব্ৰীকছ্ গোষ্ঠীৰ সদস্য ৰাষ্ট্ৰসমূহৰ মন্ত্ৰীসকলে পাৰস্পৰিক সহযোগিতা শক্তিশালী কৰাৰ লগতে মহিলা নেতৃত্বাধীন উন্নয়নৰ অগ্ৰগতিৰ বিষয়ে অৱগত কৰাব। ব্ৰীকছ্ সদস্য ৰাষ্ট্ৰসমূহৰ মাজৰ সহযোগিতাক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাসমূহৰ বিষয়েও এই বৈঠকত আলোচনা কৰা হ'ব। মন্ত্ৰী পৰ্যায়ৰ এই বৈঠকখনে মহিলাৰ নেতৃত্ব ত্বৰান্বিত কৰা, অৰ্থনৈতিক সুযোগ-সুবিধাৰ সম্প্ৰসাৰণ তথা ডিজিটেল আৰু বিত্তীয় অন্তৰ্ভুক্তি শক্তিশালী কৰি তোলাৰ বাবে উচ্চ পৰ্যায়ৰ আলোচনাৰ এখন মঞ্চ হিচাপে ভূমিকা পালন কৰিব।

উল্লেখযোগ্য যে মন্ত্ৰীপৰ্যায়ৰ এই বৈঠকৰ পৰৱৰ্তী সময়ত ব্ৰীকছ্ গোষ্ঠীৰ মহিলা কৰ্মীবাহিনীৰ এখন বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকত মহিলাসকলক সামৰি লোৱা ব্ৰীকছৰ অগ্ৰাধিকাৰৰ বিষয়সমূহকলৈ আলোচনা কৰা হ'ব বুলি মন্ত্ৰালয়ে জানিবলৈ দিয়ে।

০০০০০০০০০

জৈৱ বৈচিত্ৰ আইন, ২০০২ৰ অধীনত মিজোৰামৰ প্ৰাকৃতিক ইতিহাস সংগ্ৰহালয়ক দেশৰ একবিংশ অনুমোদিত সংৰক্ষণস্থলী হিচাপে অধিসূচনা জাৰি কৰা হৈছে। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ প্ৰাধিকৰণৰ পৰামৰ্শ অনুসৰি এই অধিসূচনা জাৰি কৰিছে। অনুমোদিত সংৰক্ষণ স্থলীসমূহ দেশৰ জৈৱ বৈচিত্ৰ, প্ৰশাসন পৰিকাঠামোৰ অন্যতম গুৰুত্বপূৰ্ণ উপাদান বুলি বিবেচনা কৰা হয়। এই সংগ্ৰহালয়টোৱে বিভিন্ন বছা বছা উদ্ভিদৰ প্ৰজাতি নমুনা, সৰীসৃপ, উভচৰ, মাছ, পখিলা, ভেকুলি আদিৰ বিচিত্ৰ প্ৰজাতিৰ নমুনা সংৰক্ষণ কৰিব। উল্লেখযোগ্য যে মিজোৰাম বিশ্ববিদ্যালয়ৰ তত্বাৱধানত ২০২২ চনত স্থাপন কৰা এই প্ৰাকৃতিক ইতিহাস সংগ্ৰহালয় ভাৰত-বাৰ্মা জৈৱ বৈচিত্ৰৰ মূল কেন্দ্ৰত অৱস্থিত। মিজোৰামৰ লগতে ইয়াৰ বিস্তীৰ্ণ উত্তৰ-পূৰ্বাঞ্চলত ৭ হাজাৰ ৫০০ ৰো অধিক ফুল আৰু দুহেজাৰৰো অধিক প্ৰাণীৰ প্ৰজাতি পোৱা যায়।

০০০০০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগীতাত আজি পুৱা অনুষ্ঠিত ৰাউণ্ড অব ছিক্সটিনৰ এখন খেলত বিশ্বকাপৰ পৰা আয়োজক দেশ আমেৰিকা বাহিৰ হবলগীয়া হয়। ৪-১ গলৰ ব্যৱধানত বেলজিয়ামৰ ওচৰত আমেৰিকা পৰাস্ত হয়। এই জয়ৰ পাছত বেলজিয়াম কোৱাৰ্টাৰ ফাইনেলত স্পেইনৰ মুখামুখি হব।

ইফালে কালি নিশা ডালাছ ষ্টেডিয়ামত অনুষ্ঠিত নক আউট পৰ্যায়ৰ এখন খেলত স্পেইনে পৰ্তুগালক ১-শূন্য গ'লত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। খেলখনৰ দ্বিতীয়াৰ্ধৰ ষ্টপেজ টাইমৰ প্ৰথম মিনিটত মাইকেল মেৰিনোৱে গ'ল দি স্পেইনৰ জয় নিশ্চিত কৰে। ২০১০ চনত দক্ষিণ আফ্ৰিকাত একমাত্ৰ বিশ্বকাপ খিতাপ জয় কৰাৰ পিছত স্পেইনে প্ৰথমবাৰৰ বাবে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। দলটোৱে শুকুৰবাৰে লছ এঞ্জেলছ ষ্টেডিয়ামত আমেৰিকা বা বেলজিয়ামৰ বিৰুদ্ধে খেলিব।

০০০০০০০০০

সমাপ্ত